# বাক্যতত্ত্ব ঃ
# ইয়াৰ গঠন আৰু প্ৰক্ৰিয়া

ড° জুমি দাস

সূচনা ঃ

অসমীয়া ব্যাকৰণত বাক্যতত্ত্ব এটা বহল আলোচনাৰ বিষয়। 'বাক্যতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Syntax'. মানে 'Syntax' গ্ৰীক ভাষাৰ শব্দ। 'Syn' মানে 'Together', মানে 'taxix'. মানে 'an arranging' অসমীয়াত ইয়াক প্ৰণালীবদ্ধ গাঁথনি বুলি ক'ব পৰা যায়। ১৯৫৭ মাৰ্কিন বাগ্‌বিজ্ঞানী নোওম চম্‌স্কীৰ Syntanctic Structures খনৰ প্ৰকাশে নতুন বাগ্‌বিজ্ঞানত বাক্যতাত্ত্বিক দিশটোৰ মুকলি কৰে। বাক্যতত্ত্বত বিভক্তি আৰু প্ৰত্যয়ৰ সংযোগত হোৱা বিভিন্ন শব্দ আৰু পদৰ মাজত থকা বাহ্যিক সম্বন্ধ আলোচনা কৰা হয়। বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ, অঙ্গ বিচাৰ (Immediate Constituent

Analysis) আদি বিভিন্ন দিশবোৰ সামৰা হয়।[১] (অৰ্পণা কোঁৱৰ- ভাষাবিজ্ঞান উপক্ৰমণিকা, পৃ-১৩৯)

**বাক্যৰ প্ৰকাৰঃ**

এটা বিশেষ ক্ৰমত আৱদ্ধ ইটোৰ সিটোৰ লগত থকা আৰু একোটা মনোভাৱ পূৰ্ণভাৱে প্ৰকাশ কৰিব পৰা শব্দৰ সমষ্টিয়ে বাক্য। শব্দসমষ্টিয়ে একোটা বাক্য গঠন কৰে, কাৰণ ইয়াত উদ্দেশ্য আৰু বিধেয় আছে কিন্তু ই বৃহত্তৰ এটা বাক্যৰ অংশ মাত্ৰ।

যাৰ সম্বন্ধত বা যাক উদ্দেশ্য কৰি কোৱা হয় তাক উদ্দেশ্য আৰু উদ্দেশ্য সম্বন্ধে যি কোৱা হয় তাক বিধেয় বোলে। যেনে- ৰামে গান গায়। ইয়াত ৰাম উদ্দেশ্য আৰু গান গায় বিধেয়।

বাক্য ৰচিত হয় পদেৰে। এটা পদ বা তাতোকৈ অধিক পদ লগ লাগি এটা চুটি বাক্য গঠন কৰা হয় আৰু অধিক পদ বা বাক্যাংশ লগ লাগি একোটা দীঘল বাক্য গঠন কৰা হয়। বাক্যাংশৰ ওপৰত ভিত্তি কৰি অৰ্থাৎ উদ্দেশ্য আৰু বিধেয়- এই দুটা মৌলিক উপাদানৰ ওপৰত ভিত্তি কৰি বাক্যক তিনিটা ভাগত ভাগ কৰিব পাৰি।

১) সৰল বাক্য (Simple Sentance)।

২) জটিল বাক্য (Complex Sentance)।

৩) যৌগিক বাক্য (Compound Sentance)।

**১) সৰল বাক্য ঃ**

যি বাক্যৰ কোনো এটা অংশ আন এটা অংশৰ অধীন নহয়, সিয়ে সৰল বাক্য। অসমীয়া সৰল বাক্য কৰ্তা-কৰ্ম-ক্ৰিয়াৰ সংযোগত গঠন হয়। যেনে—

ক) মই কিতাপ পঢ়ো।

খ) মই ঘৰলৈ যাওঁ।

গ) গৰুৱে ঘাঁহ খায়।

অসমীয়াত ক্ৰিয়াহীন সৰল বাক্যৰো ব্যৱহাৰ আছে। এনে সৰল বাক্যৰ উদাহৰণ হ'ল—

ক) মোৰ ঘৰ গুৱাহাটীত।

খ) অসমৰ উত্তৰে হিমালয় পৰ্বত।

**২) জটিল বা মিশ্ৰ বাক্য ঃ**

সহজ অৰ্থত যি বাক্যৰ কোনো এটা অংশ আন এটা অংশৰ অধীন হিচাপে

থাকে, সিয়ে জটিল বাক্য। জটিল বাক্যত থকা প্ৰধান বাক্যটো প্ৰকৃততে অপৰিধান বাক্যটোৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। উদাহৰণস্বৰূপে—

ক) অসুখ হোৱা বাবে মৃগেন কলেজলৈ নাহিল।

খ) সন্ধিয়া হ'লে সকলোৱে কাম সামৰে।

গ) এইখনেই ঠাই য'ত সি জন্মিছিল।

ওপৰৰ বাক্যকেইটাত মৃগেন কলেজলৈ নাহিল, সকলোৱে কাম সামৰে, য'ত সি জন্মিছিল— এই প্ৰধান বাক্যকেইটা অৰ্থৰ স্পষ্টতাৰ বাবে অসুখ হোৱা বাবে, সন্ধিয়া হ'লে, এইখনেই ঠাই— এই প্ৰধান প্ৰধান বাক্যকেইটাৰ ওপৰত নিৰ্ভৰশীল।

**২) যৌগিক বাক্য বা সংযুক্ত বাক্য ঃ**

একাধিক সৰল অথবা মিশ্ৰ বাক্য সংযোজক অথবা বিয়োজক অব্যয়ৰ দ্বাৰা যুক্ত হৈ যি বাক্য গঠন হয় তাক যৌগিক বা সংযুক্ত বাক্য বোলে।

ক) আমি ৰাতি ভাত খাওঁ আৰু সিহঁতে ৰাতি ৰুটি খায়।

খ) গুৱাহাটী যেতিয়া গৈ পাওঁ তেতিয়া মই তোমালৈ ফোন কৰিম।

গ) ৰমেন ওখ কিন্তু তেওঁৰ ভাই চাপৰ।

ওপৰৰ বাক্যকেইটাত প্ৰতিটো বাক্যত দুটা সৰল বাক্য 'আৰু', 'তেতিয়া', 'কিন্তু' অব্যয়ৰদ্বাৰা যুকতি হৈ আছে। এতেকে বাক্যকেইটা যৌগিক বাক্য।

অৰ্থ বা ভাবৰ প্ৰতি লক্ষ্য ৰাখিও বাক্যক পাঁচটা ভাগত ভগাব পাৰি। এই ভাগসমূহ হ'ল—

**১) বৰ্ণনাত্মক বাক্য (Assertive) ঃ**

বৰ্ণাত্মক বাক্যত কোনো কথা সাধাৰণভাৱে ব্যক্ত কৰা হয়। যেনে-

ক) সি সপ্তম শ্ৰেণীত পঢ়ে।

খ) ল'ৰাজনে খেলিবলৈ ভাল পায়।

**২) প্ৰশ্নবোধক বাক্য (Interogative) ঃ**

এইবোৰ বাক্যৰ দ্বাৰা কোনো প্ৰশ্ন সোধা হয়। যেনে—

ক) তুমি কেতিয়া আহিবা?

খ) তুমি কি কৰি আছা?

**৩) আদেশসূচক (Imperative) ঃ**

এইবোৰ বাক্যত কোনো আদেশ, অনুৰোধ ইত্যাদি বুজায়। যেনে—

ক) ইয়াৰ পৰা যোৱা।

খ) অনুগ্ৰহ কৰি তোমাৰ নামটো কোৱা।

৪) **ইচ্ছাবোধক** (Optative) ঃ

এইবোৰ বাক্যত কোনো ইচ্ছা, প্ৰাৰ্থনা, আশীৰ্বাদ প্ৰভৃতি প্ৰকাশ কৰে। যেনে—

ক) ভগৱানে তোমাক সহায় কৰক।

খ) ভগৱান মঙ্গলময়।

৫) **আবেগসূচক** (Exclamatory) ঃ

এইবোৰ বাক্যত দুখ, আনন্দ বা মনৰ কোনো আবেগ-অনুভূতি ব্যক্ত কৰে। যেনে—

ক) বাঃ কেনে ধুনীয়া !

খ) হুৰ্ৰে, আমি জয় হ'লো !

আকৌ বাক্যক সদৰ্থক বা সম্মতিসূচক (Affirmative) আৰু নঞৰ্থক বা নেতিবাচক (Negative) এই দুই ভাগত ভগাব পাৰি। যেনে—

| | |
|---|---|
| ক) সম্মতিসূচক বাক্যঃ | মই তেওঁক জানো। |
| নেতিবাচক বাক্যঃ | মই তেওঁক নাজানো। |
| খ) সম্মতিসূচক বাক্যঃ | ইয়াৰ পৰা যোৱা। |
| নেতিবাচক বাক্য ঃ | ইয়াৰপৰা নাযাবা। |

**বাক্যৰ গঠন প্ৰক্ৰিয়াঃ** বাক্যৰ গঠন সম্পৰ্কে আলংকাৰিক বিশ্বনাথে 'সাহিত্য দৰ্পণ'ত কৈছে— 'বাক্যংস্যাদ্ যোগ্যতাকাঙ্খাসত্তিযুক্তঃ পদোচ্চয়ঃ।' অৰ্থাৎ যোগ্যতা (Propriety), আকাংক্ষা (Expectary) আৰু আসক্তি (Proximity) যুক্ত পদসমূহেই বাক্য। আধুনিক ভাষা বিজ্ঞানতো এই তিনিওটা বিষয়ত গুৰুত্ব আৰোপ কৰি আহিছে।

ক) **যোগ্যতা ঃ** বাক্যত যিকোনো পদ যিকোনো পদৰ লগত সংযোজিত হ'ব নোৱাৰে। যোগ্যতা অনুসৰিহে বাক্যত পদৰ চয়ন আৰু উপস্থাপন হয়। বাক্যত ব্যৱহাৰ কৰা পদসমূহৰ যোগ্যতা দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে। যেনে—

১) অৰ্থগত যোগ্যতা।

২) ৰূপগত যোগ্যতা।

১) **অৰ্থগত যোগ্যতা ঃ**

বাক্যৰ অন্তৰ্গত পদবোৰৰ পৰস্পৰৰ মাজত প্ৰাসঙ্গিক অৰ্থৰ সঙ্গতি থাকিব লাগে। বাক্যত ব্যৱহৃত পদসমূহৰ মাজত অৰ্থগত সংগতি থকাটো প্ৰয়োজনীয়।

সংগতিবিহীন পদৰ সমষ্টিয়ে অৰ্থপূৰ্ণ বাক্য হিচাপে যোগ্যতা লাভ কৰিব নোৱাৰে। যেনে— 'হৰিয়ে শিল খাইছে।' ইয়াত ব্যাকৰণৰ নিয়ম অনুকৰণ কৰিলেও অৰ্থৰ সংগতি নথকা বাবে বাক্যটোয়ে শুদ্ধ ৰূপ লাভ কৰিব পৰা নাই। প্ৰত্যেক ভাষাতে পদসমূহৰ প্ৰয়োগত এটা সুনিৰ্দিষ্ট ৰীতি থাকে; এই ৰীতি ৰক্ষা কৰিব পাৰিলেহে ভাষাৰ গঠনত শুদ্ধতা প্ৰতিপন্ন হয়। যেনে— 'আমি ভৰিৰে খোজ কাঢ়ো।' এটা শুদ্ধ অসমীয়া বাক্য। ইয়াত ব্যৱহৃত পদসমূহৰ মাজত অৰ্থৰ সংগতি স্থাপিত হৈছে আৰু বাক্যটোৰ ৰূপ শুদ্ধ হৈছে।

**১) ৰূপগত বৈশিষ্ট্য ঃ**

অৰ্থৰ সংগতিৰ লগে লগে পদৰ ৰূপগত সংগতি তথা যোগ্যতা নহ'লে ব্যাকৰণগত ৰীতিৰ ফালৰ পৰা বাক্য শুদ্ধ যেন লাগিলেও আচলতে ভুল হয়। যেনে— 'মানুহজনে পথাৰত ভাত খাইছে।' অসমীয়া ভাষাৰ বাক্য গঠনৰ ব্যাকৰণসন্মত পদক্ৰমত এই বাক্যটো ৰচিত হৈছে; দেখাত শুদ্ধ যেন বোধ হ'লেও অৰ্থৰ যোগ্যতা নোহোৱাৰ কাৰণে বাক্যটো শুদ্ধ হোৱা নাই। কাৰণ মানুহে পথাৰত ভাত নাখায়, ঘৰতহে ভাত খায়। অৰ্থাৎ মানুহজনে ঘৰত ভাত খাইছে। পদৰ এনে সঙ্গতিকে ৰূপগত যোগ্যতা বোলে। পদৰ এনে যোগ্যতাৰ কাৰণেই মই বজাৰলৈ যাওঁ শুদ্ধ। ৰূপগত যোগ্যতাৰ অভাৱত কেতিয়াবা অশুদ্ধ ৰূপৰ বাক্য পোৱা যায়। এনে অশুদ্ধ ৰূপৰ বাক্যৰ ভিতৰত— মই বজাৰক যাওঁ, মই শ্বিলং যাম আদি। গতিকে বক্তাই ব্যক্ত কৰিব খোজা কথাটো স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ পদৰ ৰূপগত যোগ্যতাৰ আৱশ্যক নিতান্তই বাঞ্ছনীয়।

**(খ) আকাংক্ষা ঃ**

আকাংক্ষা শব্দই সাধাৰণতে হেঁপাহ বা পাবলৈ ইচ্ছা কৰা কথাক বুজায়। বাক্যৰ যোগেদি বক্তাৰ বক্তব্য পূৰ্ণৰূপে প্ৰকাশ পায়। বাক্যৰ সহায়ত বক্তাই মনৰ ভাব ব্যক্ত কৰোঁতে বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা আৱশ্যকীয় পদসমূহ পূৰণ কৰিবলৈ আকাংক্ষা ওপজিব লাগিব। বক্তাই দীঘল বা চুটি উভয় বাক্যৰ জৰিয়তে মনৰ ভাব ব্যক্ত কৰি আকাংক্ষা পূৰণ কৰিব পাৰে। এটা সম্পূৰ্ণ ভাব প্ৰকাশক বাক্য গঠন কৰিবলৈ বাক্যত দুটা প্ৰধান উপাদানৰ আৱশ্যক।

(ক) এটা পদ আৰু আনটো

(খ) লয় বা সুৰ লহৰ

বাক্য পূৰ্ণ কৰাৰ মুখ্য ভূমিকা বহন কৰে সুৰ লহৰে। অৰ্থাৎ পদেই বাক্যৰ যথাসৰ্বস্ব নহয়। সুৰ লহৰৰ বাবে আকাংক্ষা পূৰণৰ অৰ্থে কেতিয়াবা পূৰ্ণ বাক্য হ'ব পৰা একাধিক পদসমষ্টি মাত্ৰ একেটা বাক্যৰ অন্তৰ্গত হ'ব পাৰে। যেনে— 'তুমি ফুৰিবলৈ যাবানে মই নাজানো কাৰণে বাৰে বাৰে সুধি আছোঁ।' বাক্যটোত কম পক্ষেও তিনিটা স্বতন্ত্ৰ বাক্য আছে; বাক্যটো বিশ্লেষণ কৰিলে এই বাক্য তিনিটা পোৱা যাব—

(ক) তুমি ফুৰিবলৈ যাবানে?

(খ) মই নাজানো।

(গ) বাৰে বাৰে সুধি আছোঁ।

তথাপি তিনিওটা বাক্য উক্ত ক্ৰমত বিশিষ্ট সু লহৰেৰে ক'লেহে শ্ৰোতাৰ আকাংক্ষা সম্পূৰ্ণভাৱে নিবৃত্ত কৰিব পাৰে।

(খ) আসক্তি ঃ

বাক্যৰ গঠনত আসক্তি বিচাৰ এটা দৰকাৰী বিষয়। বাক্য একোটা কিছুমান পদৰ সমষ্টি। বাক্যত যেনেকৈ ব্যৱহৃত পদসমূহৰ অৰ্থগত যোগ্যতা আৰু ৰূপগত যোগ্যতা থাকে, ঠিক তেনেদৰে পদবোৰৰ মাজত পাৰস্পৰিক সংগতিও থাকিব লাগে। যোগ্যতা থকা পদসমূহক ওচৰা-ওচৰিকৈ বাক্যত সংস্থাপন কৰা হয়। তেতিয়া বাক্যৰ অৰ্থ স্পষ্টকৈ বুজিব পাৰি। এনেদৰে ওচৰা-ওচৰিকৈ সজোৱা পদসমূহক পৰস্পৰে-পৰস্পৰৰ আসন্ন অঙ্গ বুলি ধৰা হয়। বাক্যতত্ত্বৰ আলোচনাত বাক্যত সংস্থাপন কৰা আসক্তিযুক্ত পদ অৰ্থাৎ আসন্ন অৰ্থসমূহৰ বিচাৰ কৰি বাক্যৰ প্ৰকৃত অৰ্থ নিৰূপণ কৰা হয়। যেনে—

(ক) ল'ৰাটো ভাল।

(খ) তেওঁ বৰ সৎ।

(গ) হৰিয়ে নতুন কিতাপখন পঢ়িছে।

ওপৰৰ প্ৰথম বাক্যটোত দুটা পদ আছে। এই দুয়োটা পদৰ যোগ্যতা আছে আৰু পৰস্পৰে-পৰস্পৰৰ আসন্ন অংগ ।

দ্বিতীয় বাক্যতো তিনিটা পদ আছে । ইহঁতৰ অংগ বিচাৰ কৰিলে হ'ব—তেওঁ বৰ সৎ ।

তেওঁ। বৰ সৎ।

তেওঁ । বৰ সৎ।

তৃতীয় বাক্যটোত চাৰিটা পদ আছে। বাক্যটোৰ অংগ বিচাৰ এনেদৰে কৰিব পাৰি—

হৰিয়ে নতুন কিতাপখন পঢ়িছে।

হৰিয়ে। নতুন কিতাপখন। পঢ়িছে।

হৰিয়ে। নতুন। কিতাপখন। পঢ়িছে।

ওপৰৰ বাক্যত ব্যৱহৃত শব্দ, শব্দবোৰৰ নিৰ্দিষ্ট ক্ৰম আৰু প্ৰতিটো শব্দৰ আসক্তি বিচাৰৰ দ্বাৰা বাক্যৰ গঠন প্ৰণালী আৰু বাক্যৰ সম্পূৰ্ণ অৰ্থ বুজিব পাৰি। গতিকে ক'ব পাৰি বাক্যৰ গঠন প্ৰণালী ব্যৱহৃত পদৰ বিন্যাসক্ৰমকেই আসক্তি বোলে।

**সামৰণি ঃ**

ভাষাৰ অধ্যয়নৰ স্তৰ ধ্বনিৰ স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ, অৰ্থৰ স্তৰৰ ভিতৰত ভিতৰত বাক্যৰ স্তৰ অতি বহল। ইয়াত বিভিন্ন দিশ যেনে বাক্যৰ উপাদান, বাক্যৰ বিশ্লেষণ, বাক্যৰ শ্ৰেণীবিভাজন, বাক্য গঠন প্ৰক্ৰিয়া আদি বিভিন্ন দিশ সামৰা হৈছে। বাক্যৰ গঠন আৰু বিশ্লেষণৰ বাবে গভীৰ অন্তৰ্দৃষ্টি আৰু অধ্যয়ন আৱশ্যক। আমাৰ আলোচনাত বাক্যৰ প্ৰকাৰ আৰু বাক্যৰ গঠন প্ৰক্ৰিয়াৰ যৎসামান্য আলোচনা ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈহে দাঙি ধৰা হৈছে।

❑❑

**প্ৰসঙ্গ গ্ৰন্থ ঃ**

১) কোঁৱৰ, অৰ্পণা ঃ ভাষাবিজ্ঞান উপক্ৰমণিকা, বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০২

২) গোস্বামী, গোলকচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণৰ মৌলিৰ বিচাৰ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০০৪

৩) ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ ভাষাবিজ্ঞান প্ৰৱেশ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৮

(লেখিকা বি.এইচ্ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অংশকালিন অধ্যাপিকা)